**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-11-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উত্তৰাখণ্ডৰ ৰাজ্য গঠনৰ ৰূপালী জয়ন্তী উপলক্ষে আয়োজিত এটা অনুষ্ঠান অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি ডেৰাডুণত উপস্থিত হৈছে আৰু এখন জনসভাত অংশগ্ৰহণ কৰিছে।

২। আফ্ৰিকা মহাদেশৰ দুখন ৰাষ্ট্ৰ ভ্ৰমণৰ উদ্দেশ্যে ৰাওনা হোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু কালি এংগোলাত উপস্থিত হয়।

৩। ৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে আজি গুৱাহাটীৰ লাচিত ঘাটত অনুষ্ঠিত কেন্দ্ৰীয় অনুষ্ঠানৰ অংশ হিচাপে এয়াৰ শ্ব' অৰ্থাৎ যুদ্ধ বিমানৰ উৰণ কৌশল প্ৰদৰ্শন কৰা হয়।

৪। উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে ভাৰতৰ আধ্যাত্মিক যাত্ৰা আৰু ঐতিহ্যলৈ জৈন দৰ্শনে আগবঢ়োৱা অৱদানক স্মৰণ কৰিছে। ***আৰু***

৫। বাংলাদেশৰ ঢাকাত আজিৰে পৰা ১৪ নৱেম্বৰলৈকে হবলগীয়া এছিয়ান আৰ্চ্বাৰী ছেম্পিয়নশ্বিপত ভাৰতৰ ১৬ জনীয়া দলে প্ৰতিদ্বন্দিতা কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উত্তৰাখণ্ডৰ ৰাজ্য গঠনৰ ৰূপালী জয়ন্তী উপলক্ষে আয়োজিত এটা অনুষ্ঠান অংশগ্ৰহণ কৰাৰ উদ্দেশে আজি ডেৰাডুণত উপস্থিত হৈছে। এই ভ্ৰমকালত প্ৰধানমন্ত্ৰীয়ে এটা স্মাৰক ডাক টিকট মুকলি কৰিব আৰু এখন সমাবেশত ভাষণ দিব। শ্ৰীমোদীয়ে লগতে ৯৩০ কোটিৰো অধিক ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব আৰু ৭ হাজাৰ ২০০ কোটিৰো অধিক টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া এলানি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহ খোৱা পানী যোগান, জল সিঞ্চন, কাৰিকৰী শিক্ষা, শক্তি, নগৰ উন্নয়ন, ক্ৰীড়া আৰু দক্ষতা বিকাশৰ সৈতে জৰিত। ভ্ৰমনকালত শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত ২৮ হাজাৰৰো অধিক কৃষকৰ বেংক একাউণ্টলৈ ৬২ কোটি টকা হস্তান্তৰ কৰিব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে উত্তৰাখণ্ডৰ ৰাজ্য দিৱসৰ ৰূপালী জয়ন্তীত ৰাজ্যবাসীক শুভেচ্ছা আৰু অভিনন্দন জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয় যে দেশৰ গৌৰৱময় আধ্যাত্মিক আৰু সাংস্কৃতিক যাত্ৰাত উত্তৰাখণ্ডৰ অনন্য অৱদান আছে। তেওঁ লগতে কয় যে ২৫ বছৰৰো অধিক কালত ৰাজ্যখনৰ জনসাধাৰণে আধুনিক বিকাশৰ নতুন মাত্ৰাৰ সৃষ্টি কৰিছে। তেওঁ লগতে উত্তৰাখণ্ডৰ সকলো বাসিন্দাৰ উজ্বল ভৱিষ্যত কামনা কৰে।

০০০০

পাৰ্বত্য ৰাজ্য উত্তৰাখণ্ডৰ ২৫ সংখ্যক ৰাজ্য দিৱস উপলক্ষে ৰাজ্যবাসীক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তৰিক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে প্ৰকৃতিৰ কোলাত থকা এই পবিত্ৰ ভূমিয়ে সম্প্ৰতি পৰ্যটনকে ধৰি সকলো ক্ষেত্ৰতে প্ৰগতিৰ নতুন পথত অগ্ৰসৰ হৈছে। ৰাজ্য দিৱসত তেওঁ উত্তৰাখণ্ডবাসীৰ সৰ্বাত্মক সুখ, সমৃদ্ধি, উজ্বল ভৱিষ্যত আৰু সুস্বাস্থ্য কামনা কৰে। উত্তৰাখণ্ডবাসীক তেওঁ অত্যন্ত কঠোৰ পৰিশ্ৰমী আৰু স্বৰ্গীয় লোক হিচাপে অভিহিত কৰে।

০০০০

উত্তৰাখণ্ডৰ ৰাজ্য দিৱস উপলক্ষে আজি ৰাজ্যখনৰ জনসাধাৰণক কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত গৃহমন্ত্ৰীগৰাকীয়ে কয় যে আধ্যাত্মিক ঐতিহ্য, সাংস্কৃতিক বৈভৱ আৰু প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ উত্তৰাখণ্ডৰ পবিত্ৰ ভূমি সমগ্ৰ দেশৰে বিশ্বাসৰ কেন্দ্ৰ হৈ আহিছে। শ্ৰীশ্বাহে দেশ নিৰ্মাণত ৰাজ্যখনৰ অৱদানক প্ৰশংসা কৰে আৰু ৰাজ্যখনৰ সমৃদ্ধি তথা শক্তিবৃদ্ধিৰ হোৱাৰ কামনা কৰে।

উত্তৰাখণ্ডৰ ৰাজ্য দিৱসৰ ৰূপালী জয়ন্তী উপলক্ষে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাকে ধৰি আন মন্ত্ৰীসকলেও ৰাজ্যখনৰ বাসিন্দাসকলক শুভেচ্ছা জনাইছে।

০০০০

আফ্ৰিকা মহাদেশৰ দুখন ৰাষ্ট্ৰ ভ্ৰমণৰ উদ্দেশ্যে ৰাওনা হোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু কালি এংগোলাত উপস্থিত হয়। শ্ৰীমতী মুৰ্মুৱে যাত্ৰা কৰা বিমানখন যোৱা নিশা এংগোলাৰ ৰাজধানী লোৱান্দাত অৱতৰন কৰে। এয়া হৈছে এংগোলালৈ কোনো ভাৰতীয় ৰাষ্ট্ৰপতিৰ প্ৰথমটো আনুষ্ঠানিক ভ্ৰমণ। এংগোলাৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্কৰ ৪০ বছৰ পূৰ্তি উদযাপন কৰাৰ অৰ্থে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু দেশখনত উপস্থিত হৈছে। ৰাষ্ট্ৰপতিৰ ভ্ৰমণৰ এই সময়ছোৱাতে দুয়োখন দেশৰ মাজত দ্বিতীয়খন উচ্চ পৰ্যায়ৰ বৈঠক সম্পন্ন হ'ব। ইয়াৰ পূৰ্বে মে' মাহত এংগোলাৰ ৰাষ্ট্ৰপতিগৰাকী ভাৰত ভ্ৰমণলৈ আহিছিল। আজি লোৱান্দাত অৱস্থিত ৰাষ্ট্ৰপতি ভৱনত শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু দেশখনৰ ৰাষ্ট্ৰপতি জোৱাও মেনুৱেল গনকলভ লৰেনকোৰ সৈতে আলোচনাত মিলিত হ'ব। এই বৈঠকতে দুয়োখন দেশৰ মাজত পাৰস্পৰিক স্বাৰ্থ জড়িত বিষয়সমূহৰ ক্ষেত্ৰত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এংগোলাত অহা মঙলবাৰলৈ থাকিব আৰু দেশখনৰ ৫০ বছৰীয়া স্বাধীনতা দিৱস উদযাপন কাৰ্যসূচীত ভাগ ল'ব। তেওঁ এংগোলাৰ সদনত ভাষণ দিয়াৰ লগতে দেশখনত থকা প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও বাৰ্তালাপ কৰিব।

ইয়াৰ পাছতে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এই বটছোৱানা ভ্ৰমণ কৰিব। বটছোৱানাৰ ৰাষ্ট্ৰপতি ডুমা বকোৰ সৈতে দ্বিপাক্ষিক বিষয়ত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে বাৰ্তালাপ কৰিব। দুয়োগৰাকী ৰাষ্ট্ৰপতিয়ে দেশ দুখনৰ মাজত বাণিজ্য, বিনিয়োগ, প্ৰযুক্তি, শক্তি, কৃষি, স্বাস্থ্য, ফাৰ্মাচিউটিকেল, প্ৰতিৰক্ষা আৰু জনসাধাৰণৰ মাজত পাৰস্পৰিক সম্পৰ্ক আদি একাধিক বিষয় সন্দৰ্ভত আলোচনা কৰিব।

উল্লেখযোগ্য যে শ্ৰী দ্ৰৌপদী মুৰ্মুৱে হ'ব আফ্ৰিকান দেশ দুখনলৈ ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতি। ভাৰতে গোলকীয় দক্ষিণত শক্তিশালী অংশীদাৰিত্ব প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এই ভ্ৰমণে অৰিহণা আগবঢ়াব।

০০০০

৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে আজি গুৱাহাটীৰ লাচিত ঘাটত অনুষ্ঠিত কেন্দ্ৰীয় অনুষ্ঠানৰ অংশ হিচাপে এয়াৰ শ্ব’ অৰ্থাৎ যুদ্ধ বিমানৰ উৰণ কৌশল প্ৰদৰ্শন কৰা হয়। কেন্দ্ৰীয়ভাৱে আয়োজিত এই এয়াৰ শ্ব’ত ৰাফেল, মিগ, ছুখয় আদি ৭৫ খন বিমান আৰু হেলিকপ্তাৰে ভাগ লয়। এই প্ৰদৰ্শনী উপভোগৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধাশ্ৰমৰ আবাসীসকলক আমন্ত্ৰণ জনোৱা হৈছে। অৱশ্যে এইক্ষেত্ৰত প্ৰশাসনে কিছু নীতি-নিৰ্দেশনা জাৰি কৰিছে। মহানগৰৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব’ চোৱাৰ ব্যৱস্থা কৰা হৈছে। বায়ু সেনা বাহিনীৰ এই অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং উপস্থিত থকাৰ কথা আছিল যদিও বিশেষ কাৰণত তেওঁৰ ভ্ৰমণ বাতিল হয়। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে ভাৰতৰ আধ্যাত্মিক যাত্ৰা আৰু ঐতিহ্যলৈ জৈন দৰ্শনে আগবঢ়োৱা অৱদানক স্মৰণ কৰিছে। উপৰাষ্ট্ৰপতিগৰাকীয়ে আজি কৰ্ণাটকৰ হাচান জিলাৰ শ্ৰাৱনবেলাগোলাত জৈন ধৰ্মগুৰু আচাৰ্য্য শান্তি সাগৰ মহাৰাজৰ স্মাৰক অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত তেওঁ সংগম আৰু সংগম পৰৱৰ্তী সময়ৰ তামিল সাহিত্যলৈ জৈন মুনি আৰু পণ্ডিতসকলে আগবঢ়াই যোৱা অমূল্য অৱদানক সোঁৱৰণ কৰে। জৈন দৰ্শনৰ অহিংস নীতি, আত্মসংযম আৰু ত্যাগৰ আদৰ্শই ভাৰতীয় সমাজৰ আধ্যাত্মিক পৰিকাথামো নিৰ্মাণ কৰা বুলি শ্ৰীৰাধাকৃষ্ণণে প্ৰকাশ কৰে। জৈন আচাৰ্য শান্তি সাগৰ মহাৰাজৰ সন্দৰ্ভত তেওঁ কয় যে আচাৰ্য্যগৰাকীৰ অভ্যন্তৰীণ শান্তি আৰু আত্মপৰিত্ৰাণৰ নীতিয়ে সকলোকে প্ৰেৰণা যোগাই আহিছে। মৌৰ্য বংশৰ প্ৰতিষ্ঠাতা চন্দ্ৰগুপ্ত মৌৰ্য্যই তেওঁৰ জীৱনৰ শেষৰ দিনকেইটা কিদৰে বস্তুবাদী সুখ ত্যাগ কৰি শ্ৰাৱনবেলাগোলাত কটাইছিল, সেই কথা উপৰাষ্ট্ৰপতিগৰাকীয়ে স্মৰণ কৰে। তেওঁ কয় যে বিশ্ব সম্প্ৰতি যুদ্ধ আৰু সংঘাটৰ দিশলৈ গতি কৰাৰ সময়ত জৈন দৰ্শনৰ শান্তি আৰু সমন্বয়ৰ শিকনিয়ে সমাজলৈ অৰ্থবহ বাৰ্তা দিব পাৰে। তেওঁ প্ৰাকৃতক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়া আৰু জৈন দৰ্শনৰ সকলো ধৰ্মীয় পুথি ডিজিটেল মাধ্যমত সংৰক্ষণ কৰাৰ ব্যৱস্থা লোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনায়।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কম্বোদিয়াৰ ৭২ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে আজি দেশখনৰ চৰকাৰ আৰু জনসাধাৰণক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে ভাৰতে কম্বোদিয়াৰ সৈতে সহযোগিতা বৃদ্ধিত সদায় গুৰুত্ব দি আহিছে। তেওঁ কম্বোদিয়াৰ উপ প্ৰধানমন্ত্ৰী তথা বিদেশমন্ত্ৰী প্ৰাক ছ্’খ’নকো স্বাধীনতা দিৱসৰ শুভেচ্ছা জনায়।

০০০০

আমেৰিকাত থকা ভাৰতীয় ৰাষ্ট্ৰদূত বিনয় মোহন কোৱাট্ৰাই বহুজাতিক কোম্পানী ইণ্টেলৰ মুখ্য কাৰ্যবাহী বিষয়া লিপ বু টানক সাক্ষাৎ কৰে । এই সাক্ষাতত ৰাষ্ট্ৰদূতগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰৰ ভাৰত ছেমিকণ্ডাক্টৰ অভিযান আৰু ভাৰত কৃত্ৰিম বুদ্ধি - মত্তা অভিযানৰ সৈতে সংগতি ৰাখি ভাৰতত অৰ্ধপৰিবাহী আৰু কৃত্ৰিম বুদ্ধি - মত্তাৰ কাম-কাজৰ সম্প্ৰসাৰণৰ বাবে ইণ্টেলৰ পৰিকল্পনা সম্পৰ্কে আলোচনা কৰে। উল্লেখযোগ্য যে ২০২১ চনত ফেব্ৰিকেশ্যন, ডিজাইন আৰু

উৎপাদন বৃদ্ধিৰ বাবে ৭৬,০০০ কোটি টকা ব্যয়সাপেক্ষে ভাৰত চেমিকণ্ডাক্টৰ অভিযান আৰম্ভ কৰা হৈছিল ।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভূটানলৈ যাব। ভ্ৰমণকালত শ্ৰী মোদী আৰু ভূটানৰ ৰজা জিগমে খেছৰ নামগিয়াল ৱাংচুকে এহেজাৰ ২০ মেগাৱাট উৎপাদন ক্ষমতা সম্পন্ন পুনাত্ছাংছু-টু জলবিদ্যুৎ প্ৰকল্প মুকলি কৰিব। এই প্ৰকল্প ভাৰত আৰু ভূটানে যুটীয়াভাৱে বিকশাই তুলিছে। প্ৰধানমন্ত্ৰীয়ে লগতে ভূটানৰ চতুৰ্থ ৰজা জিগমে ছিংগ্যে ৱাংচুকৰ ৭০ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু দেশখনৰ প্ৰধানমন্ত্ৰী ছেৰিং টোবগেক সাক্ষাৎ কৰিব।

০০০০

বাংলাদেশৰ ঢাকাত আজিৰে পৰা ১৪ নৱেম্বৰলৈকে হ'বলগীয়া এছিয়ান আৰ্চাৰী ছেম্পিয়নশ্বিপত ভাৰতৰ ১৬ জনীয়া দলে প্ৰতিদ্বন্দিতা কৰিব। জ্যোতি সুৰেখা ভেনাম আৰু অভিষেক বাৰ্মাৰ দৰে তাৰকা খেলুৱৈয়ে নিজৰ নিজৰ তৃতীয়টো ব্যক্তিগত খিতাপ লাভৰ লক্ষ্যৰে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ পুৰুষৰ কম্পাউণ্ড দলক অভিষেক বাৰ্মা আৰু পাৰ্থমেছ জ'কাৰে নেতৃত্ব দিব। মহিলা দলটোত দিপীকা কুমাৰীয়ে নেতৃত্ব দিব। ভাৰতৰ ৰিকাৰ্ভ আৰ্চাৰসকলে দক্ষিণ কোৰিয়াৰ দীৰ্ঘদিনীয়া আধিপত্যক প্ৰত্যাহ্বান জনাব আৰু প্ৰতিযোগিতাত নিজৰ নিজৰ প্ৰথমটো ব্যক্তিগত স্বৰ্ণ পদক অৰ্জনৰ চেষ্টা চলাব।

০০০০

এ টি পি টেনিছ প্ৰতিযোগিতাৰ ফাইনেল খেলৰ এঘণ্টা পূৰ্বে ন'ভাক জোকোভিচে নাম প্ৰত্যাহাৰ কৰিছে। বাহুত পোৱা আঘাতৰ বাবেই তেওঁ নাম প্ৰত্যাহাৰ কৰে বুলি প্ৰকাশ কৰা হৈছে। জোকোভিচে এ টি পি 250 এথেন্স খিতাপৰ ফাইনেলত লৰেঞ্জো মুচেতিক ৪-৬, ৬-৩, ৭-৫ ছেটত পৰাস্ত কৰি কেৰিয়াৰৰ ১০১ সংখ্যক খিতাপ দখল কৰে। ইয়াৰ জৰিয়তে তেওঁ ৰোজাৰ ফেদেৰাৰক অতিক্ৰম কৰি ৭২ সংখ্যক হাৰ্ডকোৰ্ট খিতাপ দখল কৰি অভিলেখ গঢ়ে।

০০০০

সমাপ্ত